# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-Aug-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

দেশে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰত উদগণি যোগোৰা ভোকেল ফৰ লোকেল, আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ মন্ত্ৰৰে আগবঢ়া উচিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে আজি কয়, যে উৎসৱৰ বতৰত দেশবাসীয়ে স্বদেশী সামগ্ৰীৰ কথা পাহৰা উচিত নহয়। জীৱনৰ সৈতে জড়িত সকলো সামগ্ৰী স্বদেশী হ'ব লাগে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ উৎসৱৰ আনন্দৰ মাজত পৰিস্কাৰ-পৰিচ্ছন্নতাৰ দিশটোৰ প্ৰতিও গুৰুত্ব দিবলৈ জনসাধাৰণক আহ্বান জনায়।

এইবাৰ বাৰিষা কালত প্ৰাকৃতিক বিপৰ্যয়ে যেন দেশৰ পৰীক্ষা লৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে বিগত কেইটামান সপ্তাহত দেশৰ বিভিন্ন অংশত ব্যাপক বান আৰু ভূমিস্খলন হৈছে। এই ঘটনাসমূহে দেশৰ প্ৰতিগৰাকী লোকক ব্যথিত কৰি তুলিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনে ঘটনাত আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাৰ সকলো পৰ্যায় সফলতাৰে পাৰ কৰা, কিন্তু মেধাৰ চূড়ান্ত তালিকাত স্থান নোপোৱা প্ৰাৰ্থীসকলৰ তথ্য মজুত কৰা **প্ৰতিভা সেতু** ডিজিটেল মঞ্চৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই পোৰ্টেলৰ জৰিয়তে ব্যক্তিগত কোম্পানীসমূহে এই প্ৰতিভাসম্পন্ন শিক্ষাৰ্থীসকলৰ তথ্য আহৰণ কৰিব পাৰে আৰু তেওঁলোকক নিয়োজিত কৰিব পাৰে। এই পোৰ্টেলৰ জৰিয়তে শ-শ প্ৰাৰ্থীয়ে কৰ্মসংস্থানৰ সুযোগ লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

দেশৰ অন্যান্য অংশৰ লগতে অসমৰো বিভিন্ন স্থানত প্ৰধানমন্ত্ৰীৰ মন কী বাত সমূহীয়াকৈ শ্ৰৱণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ গণেশপাৰা বাথৌ মন্দিৰ প্ৰেক্ষাগৃহত মন কী বাত শুনে। ড০ শৰ্মাই কয়, যে এই অনুষ্ঠানে চৰকাৰ আৰু জনসাধাৰণৰ মাজত সংযোগ স্থাপন কৰি সমাজত ৰূপান্তৰমুখী কাহিনীৰ প্ৰচাৰেৰে সকলোকে অনুপ্ৰাণিত কৰিছে।

গোৱালপাৰা জিলাৰ দুধনৈ বনবাসী মন্দিৰ চৌহদত মন কী বাত অনুষ্ঠানৰ শ্ৰৱণ কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা আৰু গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দিপাংক কুমাৰ নাথে এই কাৰ্যসূচীতে জনসাধাৰণৰ সৈতে মন কী বা শুনে

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ উধাৰবন্দৰ কাঁছাকান্তি মন্দিৰ দৰ্শন কৰাৰ লগতে কাঁছাকান্তি বিদ্যামন্দিৰৰ মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ২০২৫-২৬ বৰ্ষৰ আনটাইড পুঁজিৰ অধীনত এই মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকী বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি দুপৰীয়া শিলচৰত উপস্থিত হয়। ড০ শৰ্মাই আজি শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰী শৰ্মাই বিয়লি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰাৰ লগতে শিলচৰ টেনিচ ক্লাব পৰিদৰ্শন কৰিব। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

০০০০০

বিহাৰ নিৰ্বাচনৰ প্ৰাক্-ক্ষণত দাৰভাঙ্গাত এখন নিৰ্বাচনী প্ৰচাৰ সভাত কংগ্ৰেছৰ ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ সন্দৰ্ভত কৰা অশোভনীয় মন্তব্যৰ বিৰোধিতাৰে বিজেপিৰ অসম প্ৰদেশ গোটে আজি কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱন ঘেৰাও কৰে। গুৱাহাটীৰ ৰাজীৱ ভৱনৰ সন্মুখত বিজেপিৰ সহস্ৰাধিক কাৰ্যকৰ্তাই ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ৰাহুল গান্ধীয়ে বিনা চৰ্তে ক্ষমা খোজাৰ দাবী তোলে। বিজেপিৰ কাৰ্যকৰ্তাসকলে ভৱিষ্যতে এনে কৰ্মৰ পৰা বিৰত থাকিবলৈ কংগ্ৰেছ দলক সকীয়াই দিয়ে।

০০০০০

তামুলপুৰ জিলাত সমাগত বি টি চি নিৰ্বাচন উপলক্ষে শান্তি-শৃংখলা বজাই ৰাখি নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তী ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি বিশেষ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি জিলাখনৰ ভিতৰত অনুজ্ঞাপত্ৰ থকা বন্দুক তথা অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

০০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত গাতিস্থিত শ্ৰীশ্ৰী ৰাস মহোৎসৱৰ বাকৰিত গাতিবাসী ৰাইজৰ সহযোগত সদৌ অসম ছাত্ৰ সন্থাৰ শান্তিপুৰ শাখাৰ চতুৰ্থ বাৰ্ষিক অধিবেশন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰায় আঢ়ৈশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অধিবেশনত পতাকা উত্তোলন, শ্বহীদ তৰ্পন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছত বিষয় বাসছনি সভা, প্ৰতিনিধি সভা, মুকলি সভা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়াৰ ভাগলৈ সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

কামৰূপ জিলাৰ চাংসাৰিত আজি এখন মালবাহী ৰে'ল লাইনচ্যুত হয়। ৰে'লখন নামনিমুৱা মালবাহী ৰে'ল বুলি আমাৰ সংবাদদাতাই জনাইছে। মালবাহী ৰে'লখন লাইনচ্যুত হোৱাৰ ফলত চাংসাৰি ৰে'ল ষ্টেচনৰ সমীপৱৰ্তী ষ্টেচনসমূহত প্ৰায় ৫ খন যাত্ৰীবাহী ৰে'ল বহু সময় আৱদ্ধ হৈ পৰাত যাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।

০০০০০

সমাপ্ত